# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 16-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈৰ দিনটো বড়োলেণ্ডবাসী তথা অসমবাসী ৰাইজৰ বাবে ঐতিহাসিকভাৱে অতি গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি নেতৃবৰ্গ কাইলৈৰ দিনটোক লৈ উৎফুল্লিত হৈ উঠিছে। উল্লেখযোগ্য যে, কাইলৈ কোকৰাঝাৰত অসম বিধানসভাৰ বাজেট অধিবেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ড° শৰ্মাই অশমৰ ইতিহাসত কাইলৈৰ দিনটো যুগান্তকাৰী হৈ ৰব বুলি মত প্ৰকাশ কৰিছে। উপেন্দ্ৰনাথ ব্ৰহ্মই কোকৰাঝাৰৰ পৰা বড়োলেণ্ড আন্দোলনৰ সূচনা কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অস্থিৰ অৱস্থাৰ বাবে ১৯৮৫ চনৰ পৰা এতিয়ালৈ কোকৰাঝাৰত ৰাজ্যখনৰ কোনো এগৰাকী মুখ্যমন্ত্ৰীয়েও ৰাজহুৱা সভাত অংশ লোৱাটো সম্ভৱ হৈ উঠা নাছিল। স্বাধীনতাৰ পাছত প্ৰথমবাৰলৈ ৰাজধানীৰ বাহিৰত আয়োজিত বিধানসভাৰ এই অধিবেশনত ষষ্ঠ অনুসূচীক লৈ আলোচনা কৰা হ'ব বুলিও সদৰি কৰে। তেওঁ কয়, যে থলুৱা জনজাতীয় সম্প্ৰদায়সমূহক শক্তিশালী কৰি তোলা সন্দৰ্ভত এই বৈঠকত আলোচনা কৰা হ'ব। অৱশ্যে বাজেট অধিবেশনৰ পৰৱৰ্তী কাৰ্যসূচীসমূহ গুৱাহাটীৰ স্থায়ী অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব।

০০০০

বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদ তথা মিছিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন অহা চেপ্তেম্বৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি দিশপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই বিষয়ে সিদ্ধান্ত লোৱা হয়। নতুনকৈ গঠন হোৱা ৩টা স্বতন্ত্ৰ চৰকাৰী বিভাগৰ বাজেট প্ৰস্তুতৰ বাবেও কেবিনেটে অনুমোদন জনায়। আজিৰ কেবিনেটত ৰাইমনা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মাজত থকা চিকলা জ্বলাওক ৰাজ্যৰ অষ্টমখন ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি দিয়া হয়। কাৰ্বি আংলঙত নিৰ্মাণ হবলগীয়া সৌৰ উদ্যানৰ বাবেও কেবিনেটত অনুমোদন জনোৱা হয়।

ভাৰত বিৰোধী কাৰ্যকলাপত জড়িত পাকিস্তানৰ আলী শ্বেখ নামৰ ব্যক্তিজনৰ সৈতে সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ  গগৈয়ে যোগাযোগ ৰক্ষা কৰা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত আজি মন্ত্ৰীসভাত আলোচনাৰ পাছত ৰাজ্যৰ লগতে দেশৰ আইন শৃংখলা পৰিস্থিতিলৈ লক্ষ্য ৰাখি আলী শ্বেখ নামৰ লোকজনৰ বিৰুদ্ধে ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধানৰ অধীনত তদন্তৰ বাবে মন্ত্ৰীসভাই অনুমোদন জনায়। এই স্পৰ্শকাতৰ বিষয়টো সন্দৰ্ভত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰালৈ ব্যক্তিগতভাৱে পত্ৰ লিখা হব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ইপিনে, আজি ৰাজ্য চৰকাৰে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দৰ সৈতে আলোচনাত মিলিত হয়। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা নেতৃত্বাধীন সমিতিৰ প্ৰতিবেদনত থকা ৰাজ্য চৰকাৰে ৰূপায়ণ কৰিবলৈ সমৰ্থ ৫২ টা পৰামৰ্শৰ ভিতৰত ৩৮ টা ৰূপায়ণ প্ৰক্ৰিয়াত দুয়োপক্ষই সহমতত উপনীত হয়। বাকী যোৱা পৰামৰ্শসমূহ সন্দৰ্ভত দহ মাৰ্চৰ পূৰ্বে আলোচনা কৰা হ'ব। ৰাজ্যখনৰ পুৰণি আইন, বিধিসমূহ অসমীয়ালৈ ভাষান্তৰৰ বাবে সমিতিখনে প্ৰতিবেদনত উল্লেখ কৰা পৰামৰ্শ অনুসৰি গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক এই ভাষান্তৰৰ দায়িত্ব অৰ্পন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে অসমীয়া ভাষা প্ৰয়োগৰ এটা সুকীয়া সঞ্চালকালয় গঠনৰ কথাও উল্লেখ কৰে। অষ্টম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলৰ বাবে অসম বুৰঞ্জি তথা ভূগোল বিষয় বাধ্যতামূলক কৰা হ'ব। এই বৈঠকতে চৰ অঞ্চলৰ ভূমিসমূহৰ জৰীপ কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যৰ কিছু নিৰ্বাচিত ৰাজহ চক্ৰত তিনিটা প্ৰজন্ম ধৰি বসবাস কৰা লোকেহে ভূমি ক্ৰয় -বিক্ৰয়ৰ অধিকাৰ লাভ কৰিব। অৱশ্যে অনুসূচীত জাতি আৰু জনজাতিৰ ক্ষেত্ৰত এই ব্যৱস্থা প্ৰযোজ্য নহ'ব।

০০০০

নগাওঁ ন্যায়িক আদালত ভৱনত অহা ৮ মাৰ্চত দিনৰ দহ বজাৰ পৰা ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী আৰু নগাওঁ জিলা আইন সেৱা প্ৰাধিকাৰীৰ ব্যৱস্থাপনাত আয়োজিত এই কাৰ্যসূচীত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয় গোচৰৰ লগতে পথ দুৰ্ঘটনা, বিভিন্ন বেংকৰ ঋণ আদিৰ লেখিয়া গোচৰসমূহ ব্যয়হীনভাৱে খৰটকীয়াকৈ নিষ্পত্তিৰ ব্যৱস্থা কৰা হ'ব।

০০০০

শ্ৰীভূমি জিলাৰ উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ অন্তৰ্গত সুপ্ৰকান্দিত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত নতুন ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে অনুষ্ঠিত হয়। বিতৰণ কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ মিছন ৰঞ্জন দাস, জিলা বিজেপিৰ সভাপতি গৰাকীকে ধৰি বহুসংখ্যক লোক উপস্থিত থাকে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আজি ঘোষণা কৰা আই পি এলৰ সূচী অনুসৰি অহা ২২ মাৰ্চৰ পৰা এইবাৰৰ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনত হ'বলগীয়া উদ্বোধনী খেলখনত কলকাতা নাইট ৰাইডাৰ্ছ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ মুখামুখি হ'ব। দেশৰ মুঠ ১০টা স্থানত এইবাৰৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাজস্থান ৰয়েলছৰ হোমগ্ৰাউণ্ড গুৱাহাটীত দুখন খেল অনুষ্ঠিত হ'ব। অহা ২৬ মাৰ্চত গুৱাহাটীত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। ৩০ মাৰ্চত গুৱাহাটীত হ'বলগীয়া আনখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলিব। আই পি এলৰ ফাইনেল খেলখন ২৫ মে'ত ইডেন গাৰ্ডেনত অনুষ্ঠিত হ'ব।

০০০০

সমাপ্ত